# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-04-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। একবিংশ শতিকাৰ প্ৰয়োজন পূৰাব পৰাকৈ চৰকাৰে দেশৰ শিক্ষা ব্যৱস্থাৰ আধুনিকীকৰণ কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২। ভাৰতে পহলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ বিষয়টো ৰাষ্ট্ৰসংঘত শক্তিশালীভাৱে উত্থাপন কৰিছে।

৩। ৰাজ্যসভাৰ বিৰোধী পক্ষৰ নেতা মল্লিকাৰ্জুন খাৰ্গে আৰু লোকসভাৰ বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধীয়ে পহলগামৰ আক্ৰমণ সন্দৰ্ভত আলোচনাৰ বাবে সদনৰ বিশেষ অধিৱেশনৰ আহ্বান জনাইছে।

৪। আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিভিন্ন প্ৰান্তত বসবাস কৰা প্ৰবাসী ভাৰতীয়সকলে সমবেত হৈ পহলগাম সন্ত্ৰাসবাদী আক্ৰমণত নিহতসকলৰ আত্মাৰ শান্তিৰ বাবে প্ৰাৰ্থনা কৰে।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি নতুন দিল্লীত হ'বলগীয়া এখন খেলত দেলহী কেপিটেলছ ক'লকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

একবিংশ শতিকাৰ প্ৰয়োজন পূৰাব পৰাকৈ চৰকাৰে দেশৰ শিক্ষা ব্যৱস্থাৰ আধুনিকীকৰণ কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। তেওঁ কয়, যে চৰকাৰে দেশৰ প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰী উপকৃত হোৱাকৈ বিশ্বমানৰ শিক্ষাৰ ব্যৱস্থা কৰিছে। নতুন দিল্লীৰ ভাৰত মণ্ডপমত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত যুগ্ম সন্মিলনত ভাষণ দি প্ৰধানমন্ত্ৰীয়ে এই কথা প্ৰকাশ কৰে। উল্লেখযোগ্য যে চৰকাৰ, শৈক্ষিক ক্ষেত্ৰ, উদ্যোগ তথা, উদ্ভাৱনৰ খণ্ডৰ সৈতে জড়িত ব্যক্তিসকলক লৈ প্ৰথমবাৰৰ বাবে যুগ্ম শীৰ্ষক কৌশলগত সন্মিলনৰ আয়োজন কৰা হৈছে। দেশৰ ভৱিষ্যত ইয়াৰ যুৱচামৰ ওপৰত নিৰ্ভৰশীল বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে দেশৰ উজ্জ্বল ভৱিষ্যতৰ বাবে যুৱক-যুৱতীসকলক প্ৰস্তুত কৰাটো অতি গুৰুত্বপূৰ্ণ। তেওঁ লগতে নতুন শিক্ষানীতিয়ে দেশৰ শিক্ষা ব্যৱস্থালৈ আমূল পৰিৱৰ্তন আনিছে বুলি উল্লেখ কৰে। শ্ৰী মোদীয়ে কয়, যে প্ৰতিভা, প্ৰকৃতি আৰু প্ৰযুক্তিৰ সংমিশ্ৰণে ভাৰতৰ ভৱিষ্যত পৰিৱৰ্তন কৰিব।

ভাৰতৰ বিশ্ববিদ্যালয়ৰ চৌহদসমূহ প্ৰতিভা বিকাশৰ কেন্দ্ৰ হিচাপে গঢ় লৈ উঠিছে বুলি উল্লেখ কৰি শ্ৰী মোদীয়ে কয়, যে 'এখন ৰাষ্ট্ৰ, এটা সদস্যপদ' ব্যৱস্থাই প্ৰতিগৰাকী শিক্ষাৰ্থীকৈ বিশ্বমানৰ জ্ঞান লাভ কৰাত সহায় কৰিছে। তেওঁ কয়, যে এই বছৰৰ বাজেটত চৰকাৰে ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠান - আই আই টিৰ আসনৰ সংখ্যা বৃদ্ধি কৰাৰ সিদ্ধান্ত লৈছে। আই আই টি আৰু এইমছৰ সহযোগত ভালেসংখ্যক মেডিটেক পাঠ্যক্ৰমো আৰম্ভ কৰা হৈছে বুলি শ্ৰী মোদীয়ে প্ৰকাশ কৰে। তেওঁ সময়মতে এই যাত্ৰা সম্পূৰ্ণ কৰি ভৱিষ্যত প্ৰযুক্তিৰ বাবে ভাৰতক বিশ্বৰ আগশাৰীৰ দেশৰ তালিকাত অন্তৰ্ভুক্ত কৰাটো নিশ্চিত কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানত কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধান, বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ডং জিতেন্দ্ৰ সিং উপস্থিত থাকে।

০০০০০০০

ভাৰতে পহলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ বিষয়টো ৰাষ্ট্ৰসংঘত শক্তিশালীভাৱে উত্থাপন কৰাৰ লগতে সন্ত্ৰাসবাদীক প্ৰশিক্ষণ আৰু পুঁজিৰ যোগান ধৰা সন্দৰ্ভত পাকিস্তানৰ মন্ত্ৰীৰ স্বীকাৰোক্তিৰ বিষয়টোও উত্থাপন কৰিছে। ৰাষ্ট্ৰসংঘত থকা ভাৰতৰ উপ-স্থায়ী প্ৰতিনিধি যব্দপ্স দসণ্ড্ঢ-এ পাকিস্তানৰ প্ৰতিৰক্ষা মন্ত্ৰী খোৱাজা আচিফৰ শেহতীয়া সাক্ষাৎকাৰৰ বিষয়টো আঙুলিয়াই দিয়ে। তেওঁ কয়, যে সাক্ষাৎকাৰটোত মন্ত্ৰীগৰাকীয়ে সন্ত্ৰাসবাদী গোটক পাকিস্তানে কিদৰে সমৰ্থন, প্ৰশিক্ষণ বা পুঁজিৰ যোগান ধৰি আহিছে, সেই সন্দৰ্ভত দিয়া স্বীকাৰোক্তিক সমগ্ৰ বিশ্বই শুনিছে। শ্ৰী পেটেলে কয়, যে এই স্বীকাৰোক্তিয়ে কাকো আচৰিত কৰা নাই, বৰঞ্চ সন্ত্ৰাসবাদক উচতনি দিয়া আৰু অঞ্চলটোক অস্থিৰ কৰি তোলাৰ বাবে কৰি অহা কাম-কাজক সকলোৰে আগত উদঙাই দিলে। প্ৰতিনিধিগৰাকীয়ে ভাৰতৰ বিৰুদ্ধে ভিত্তিহীন আৰোপ লগোৱা আৰু প্ৰচাৰৰ উদ্দেশ্যে আন্তঃৰাষ্ট্ৰীয় মঞ্চ ব্যৱহাৰ কৰাৰ বাবে পাকিস্তানৰ নিন্দা কৰে।

তেওঁ পহলগামৰ শেহতীয়া আক্ৰমণৰ পাছত সমগ্ৰ বিশ্ব নেতাসকলৰ উপৰি চৰকাৰৰ শক্তিশালী সমৰ্থন আৰু একতাৰ বাবে ভাৰতক ধন্যবাদ জ্ঞাপন কৰে।

ooooooo

ৰাজ্যসভাৰ বিৰোধী পক্ষৰ নেতা মল্লিকাৰ্জুন খাৰ্গে আৰু লোকসভাৰ বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধীয়ে পহলগামত সন্ত্ৰাসবাদীৰ বৰ্বৰ আক্ৰমণ সন্দৰ্ভত আলোচনাৰ বাবে সদনৰ বিশেষ অধিৱেশনৰ আহ্বান জনাইছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ লিখা দুখন পৃথক পত্ৰত দুয়গৰাকী নেতাই ৰাষ্ট্ৰীয় একতা প্ৰদৰ্শন কৰি সংসদৰ দুয়োখন সদনত শীঘ্ৰেই এই সন্দৰ্ভত বিশেষ অধিৱেশনৰ বাবে আহ্বান জনায়। শ্ৰী খাৰ্গেই কয়, যে একতা আৰু সহমৰ্মিতাৰ প্ৰয়োজন হোৱাৰ সময়ত এনেধৰণৰ অধিৱেশন ৰাষ্ট্ৰৰ সামগ্ৰিক ইচ্ছাৰ শক্তিশালী প্ৰকাশ হিচাপে বিবেচিত হ'ব। ইপিনে, শ্ৰী গান্ধীয়ে তেওঁৰ পত্ৰত উল্লেখ কৰে যে পহলগামৰ সন্ত্ৰাসবাদী আক্ৰমণে প্ৰতিগৰাকী ভাৰতীয়কে ক্ষোভিত কৰিছে। এনে গুৰুত্বপূৰ্ণ সময়ত সমগ্ৰ দেশবাসী সন্ত্ৰাসবাদৰ বিৰুদ্ধে একত্ৰিত হৈ আছে বুলি দেখুওৱাটো প্ৰয়োজন বুলি নেতাগৰাকীয়ে প্ৰকাশ কৰে।

কংগ্ৰেছৰ এই বিশেষ অধিৱেশনৰ প্ৰস্তাৱক বিজেপিয়ে কটাক্ষ কৰিছে। নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত বিজেপিৰ মুখপাত্ৰ শ্বেহজাদ পুনাৱালাই কংগ্ৰেছ মুৰব্বী মল্লিকাৰ্জুন খাৰ্গেই প্ৰথমে এই সন্ত্ৰাসবাদী আক্ৰমণ সন্দৰ্ভত কংগ্ৰেছ দলৰ সামুহিক নিৰ্ণয় কি, সেয়া প্ৰকাশ কৰা উচিত বুলি মন্তব্য কৰে। তেওঁ কয়, যে সৰ্বদলীয় বৈঠকত কৰ্ণাটকৰ মুখ্যমন্ত্ৰী চিদ্দাৰামায়াই পাকিস্তানৰ বিৰুদ্ধে কোনো ব্যৱস্থা লোৱা উচিত নহয় বুলি উল্লেখ কৰাৰ সময়ত কংগ্ৰেছে চৰকাৰৰ সিদ্ধান্তৰ প্ৰতি সমৰ্থন আগবঢ়াইছিল আৰু সন্ত্ৰাসবাদীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱা উচিত বুলি প্ৰকাশ কৰিছিল। তেওঁ লগতে কিছুসংখ্যক কংগ্ৰেছ নেতাই আনকি এই আক্ৰমণৰ বাবে পাকিস্তানৰ সলনি ভাৰতক দোষী কৰাৰো প্ৰচেষ্টা চলাইছিল বুলি অভিযোগ কৰে। আন এগৰাকী বিজেপিৰ মুখপাত্ৰ প্ৰদীপ ভাণ্ডাৰীয়ে কংগ্ৰেছক পাকিস্তানৰ পৰা নিৰ্দেশ লোৱা বুলি অভিযোগ তোলে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতে সন্ত্ৰাসবাদৰ মূল হোতা পাকিস্তানক উচিত প্ৰত্যুত্তৰ দিব।

ooooooooo

বাংলাদেশ মহিলা পৰিষদে প্ৰফেছৰ ইউনুছ নেতৃত্বাধীন দেশখনৰ অন্তৰৰ্তীকালীন চৰকাৰখনৰ মহিলাৰ বিৰুদ্ধে বৃদ্ধি পোৱা অপৰাধ নিয়ন্ত্ৰণ কৰাৰ লগতে দেশখনত মহিলা সুৰক্ষা সুনিশ্চিত কৰাৰ আহ্বান জনাইছে। উল্লেখযোগ্য যে শেহতীয়াকৈ দেশখনত মহিলাৰ বিৰুদ্ধে অত্যাচাৰৰ ঘটনা বৃদ্ধি পাইছে। কেৱল মাৰ্চ মাহতে ৪৪২ গৰাকী মহিলা ভুক্তভোগী হৈছে। বাংলাদেশ মহিলা পৰিষদৰ সম্পাদিকা ৰাবিয়া বেগম

শান্তিয়ে কালি সাংবাদিকৰ আগত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে এই সময়ছোৱাত ১৬৩ গৰাকী মহিলা ধৰ্ষণৰ বলি হৈছে। দুগৰাকী মহিলাক ধৰ্ষণ কৰি হত্যা কৰা হৈছে। তেওঁ জনোৱা মতে, ৭০ গৰাকী মহিলাক ধৰ্ষণৰ চেষ্টা কৰা হৈছে। সম্পাদিকাগৰাকীয়ে জনোৱা মতে দেশখনত মহিলাসকলক সমজুৱাকৈ অপমানিত কৰি অহা হৈছে। তেওঁ লগতে কয়, যে  দেশখনত বৃদ্ধি পাই অহা ডকাইতি, অপহৰণ আৰু হত্যাৰ ঘটনাই সাধাৰণ জনতাৰ জীৱন বিপদাপন্ন কৰি তুলিছে। আন এটা বিষয়ত গুৰুত্ব আৰোপ কৰি তেওঁ কয়, যে দেশখনৰ চৰকাৰী প্ৰাথমিক বিদ্যালয়সমূহত মহিলাৰ বাবে থকা ৬০ শতাংশ সংৰক্ষণ ব্যৱস্থা শেহতীয়াকৈ বিলুপ্ত কৰা হৈছে। এই পদক্ষেপে মহিলাৰ সৱলীকৰণত যথেষ্ট প্ৰতিকুল প্ৰভাৱ পেলাব বুলি উল্লেখ কৰি সম্পাদিকাগৰাকীয়ে সংশ্লিষ্ট কৰ্তৃপক্ষক চলিত বৰ্ষৰ নিয়োগ নীতিত এই সংৰক্ষণ ব্যৱস্থা বাহাল ৰখাৰ আহ্বান জনায়।

ooooooooo

আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিভিন্ন প্ৰান্তত বসবাস কৰা প্ৰবাসী ভাৰতীয়সকলে সমবেত হৈ পহলগাম সন্ত্ৰাসবাদী আক্ৰমণত নিহতসকলৰ আত্মাৰ শান্তিৰ বাবে প্ৰাৰ্থনা কৰে আৰু এই আক্ৰমণত ভুক্তভোগীসকলৰ প্ৰতি সমবেদনা প্ৰকাশ কৰে। নিউজাৰ্চিৰ এডিচনত ভাৰতীয়-আমেৰিকান সমুদায়ৰ প্ৰায় ২০ টা সংস্থাৰ ৩০০ৰো অধিক সদস্যই এই জঘন্য সন্ত্ৰাসবাদী আক্ৰমণৰ গৰিহণা দিয়ে। অনুষ্ঠানত এডিচনৰ মেয়ৰ চেম যোশী আৰু নিউ জাৰ্চি এচেম্বলিৰ সদস্য ৰবাৰ্ট কাৰাবিঞ্চেকে অংশগ্ৰহণ কৰে। কাণেক্টিকাটো ১৬ টা ভাৰতীয় সংস্থাই পৃথকে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে। অনুষ্ঠানত অংশগ্ৰহণকাৰীসকলে ৰাষ্ট্ৰীয় সংগীত পৰিৱেশন কৰে আৰু শান্তি আৰু সামুহিক শক্তিৰ বিষয়ত শক্তিশালী বাৰ্তা প্ৰেৰণ কৰে। একেদৰে অ'হায়োৰ কলম্বাছত প্ৰবাসী ভাৰতীয়সকলে একেলগে ভাৰতীয় আৰু আমেৰিকাৰ পতাকা উৰুৱাই এই ঘটনাৰ বিৰুদ্ধে শোক আৰু একতা প্ৰদৰ্শন কৰে।

কানাডা, ডেনমাৰ্ক, ইংলেণ্ড, ফ্ৰান্স, ফিনলেণ্ড, জাৰ্মানী, স্পেইন আদিতো ভাৰতীয় সমুদায়ৰ সদস্যসকলে এই আক্ৰমণৰ প্ৰতিবাদত বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰে।

ooooooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি নতুন দিল্লীত হ'বলগীয়া এখন খেলত দেলহী কেপিটেলছ ক'লকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

১৪ বছৰ বয়সীয়া বৈভৱ সূৰ্যবংশীৰ ঐতিহাসিক শতকৰ সহায়ত যোৱা নিশা প্ৰতিযোগিতাৰ এখন খেলত ৰাজস্থান ৰয়েলছে গুজৰাট টাইটানছক ৮ উইকেটত পৰাস্ত কৰে। জয়পুৰৰ ছাৱাই মানসিং ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত ৰাজস্থানে ২৫ টা বল বাকী থাকোঁতেই ২১০ ৰানৰ বিজয় লক্ষ্য অতিক্ৰম কৰিবলৈ সমৰ্থ হয়।

ইয়াৰ পূৰ্বে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰা গুজৰাটে নিৰ্ধাৰিত ২০ অভাৰত ৪টা উইকেট হেৰুৱাই ২০৯ ৰাণ সংগ্ৰহ কৰে।

oooooo

আকাশবাণীয়ে চলিত বৰ্ষৰ চাৰধাম যাত্ৰা মুকলি কাৰ্যসূচীৰ পোনপটীয়া প্ৰচাৰ কৰিব। কাইলৈ দিনৰ ১০ বজাৰ পৰা ১১ বজালৈ গংগোত্ৰী ধাম মুকলি কাৰ্যসূচীৰ পোনপটীয়া প্ৰচাৰ কৰাৰ উপৰি চাৰে ১১ বজাৰ পৰা চাৰে ১২ বজালৈ যমুনাত্ৰী ধাম মুকলি কাৰ্যসূচী পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব। ২ মে'ৰ পুৱা ৬ বজাত কেদাৰনাথ ধাম আৰু ৪ মে'ৰ পুৱা চাৰে ৬ বজাৰ পৰা চাৰে ৭ বজালৈ বদ্ৰীনাথ ধাম মুকলি

কাৰ্যসূচীৰ পোনপটীয়া প্ৰচাৰ কৰা হ'ব। শ্ৰোতাসকলে আকাশবাণীৰ ইন্দ্ৰপ্ৰস্থ, এফ এম গোল্ড আৰু আৰাধনা চেনেলৰ উপৰি নিউজ অন এয়াৰ এপ যোগেও এই কাৰ্যসূচীৰ পোনপটীয়া প্ৰচাৰ শুনিব পাৰিব। কাইলৈৰ পৰা ৪ মে' পৰ্যন্ত প্ৰতিদিনে সন্ধিয়া চাৰে ৭ বজাৰ পৰা ৭ বাজি ৪৫ মিনিটলৈ এই যাত্ৰাৰ তথ্য প্ৰকাশ কৰা হ'ব।

০০০০০০০০০

ভাৰতৰ উচ্চ শিক্ষা ব্যৱস্থাত নতুন জাগৰণ অনাৰ লক্ষ্যৰে তেজপুৰ বিশ্ববিদ্যালয়ে ২০২৫-২৬ শৈক্ষিক বৰ্ষত ৮ টা নতুন উদ্ভাৱনীমূলক পাঠ্যক্ৰম মুকলি কৰিছে। ইয়াৰ ভিতৰত বি টেকৰ দ্বৈত ডিগ্ৰী আৰু এম বি এ পাঠ্যক্ৰম হৈছে উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত এনেধৰণৰ প্ৰথম পাঠ্যক্ৰম। অন্যান্য নতুন পাঠ্যক্ৰমসমূহৰ ভিতৰত লিংগুইষ্টিক্‌ছ আৰু ভাষা প্ৰযুক্তিৰ স্নাতক, সমাজ বিজ্ঞানৰ স্নাতক, সৌৰ শক্তি ইঞ্জিনিয়াৰিঙৰ স্নাতকোত্তৰ আদি পাঠ্যক্ৰম অন্যতম। আগ্ৰহী শিক্ষাৰ্থীসকলে ১০ মে'ৰ ভিতৰত www.tezu.ernet.in/academic addmission2025 যোগে আবেদন কৰিব পাৰিব।

০০০০০০০০০

সমাপ্ত